অসম

যমুনাত উচ্ছেদ অভিযান আৰম্ভ, সম্পূর্ণ বেদখলমুক্তকৰণৰ দাবী আটাছুৰ

শিৱসাগৰৰ ঐতিহাসিক যমুনা খাৰৈত উচ্ছেদ অভিযান আৰম্ভ হৈছে। প্ৰায় ৪০ বিঘা ভূমি বেদখলমুক্ত কৰাৰ লগতে দুয়োপাৰে গার্ডৰাল নির্মাণৰ দাবী জনাইছে আটাছুৰে।

প্ৰকাশ: ৭ নৱেম্বৰ ২০২৬, আবেলি ৫:০৪



(মুস্তাক আহমেদ)

শিৱসাগৰ, ৭ নৱেম্বৰ: ঐতিহাসিক যমুনাৰ ভূমি বেদখলমুক্ত কৰাৰ লক্ষ্যৰে শনিবাৰে পুৱাৰে পৰা উচ্ছেদ অভিযান আৰম্ভ কৰিছে শিৱসাগৰ জিলা প্ৰশাসনে। সদৌ তাই আহোম ছাত্ৰ সন্থা চমুকৈ আটাছুৰ ধাৰাবাহিক প্ৰতিবাদ আৰু দাবীৰ পাছত এই অভিযান আৰম্ভ হৈছে।

যমুনাৰ ভূমিত নির্মাণ কৰা বাসগৃহ, শৌচাগাৰ, দেৱাল আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ উচ্ছেদৰ লক্ষ্য নির্ধাৰণ কৰা হৈছে। প্ৰশাসনৰ অভিযানৰ পূৰ্বেই একাংশ পৰিয়ালে নিজাববীয়াকৈ ঘৰ আৰু শৌচাগাৰৰ দেৱাল ভাঙিবলৈ আৰম্ভ কৰিছে বুলি আটাছুৰ সভাপতি বসন্ত গগৈয়ে জনাইছে।

আটাছুৰ দাবী অনুসৰি, যমুনাৰ মুঠ ভূমিৰ পৰিমাণ ১২০ বিঘা ১ কঠা ৯ লোচা। ইয়াৰে প্ৰায় ৪০ বিঘা ভূমি বিভিন্ন ধৰণে বেদখল কৰা হৈছে। যমুনাৰ প্ৰতিটো বেদখল সম্পূর্ণৰূপে উচ্ছেদ নোহোৱালৈ সংগঠনটোৰ আন্দোলন অব্যাহত থাকিব বুলি আটাছুৰ সভাপতি বসন্ত গগৈয়ে স্পষ্ট কৰি দিয়ে।

> কেৱল আংশিক উচ্ছেদেৰে আন্দোলন সামৰি লোৱা নহ'ব। যমুনাৰ সম্পূৰ্ণ ভূমি বেদখলমুক্ত কৰিব লাগিব বুলি আটাছুৱে দাবী জনাইছে।

পুনৰ বেদখল ৰোধৰ বাবে যমুনাৰ দুয়োপাৰে গার্ডৱাল নির্মাণৰ ব্যৱস্থা কৰিবলৈও সংগঠনটোৱে চৰকাৰক আহ্বান জনাইছে। এই কামৰ বাবে প্রয়োজনীয় পুঁজি আৱণ্টন কৰিবলৈ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ ওচৰত দাবী উত্থাপন কৰিছে আটাছুৱে।

যমুনাৰ উচ্ছেদ অভিযান সম্পূৰ্ণ হোৱাৰ পাছত তলাতল ঘৰৰ মাটি বেদখলমুক্ত কৰা আৰু ১৭৪ বিঘা ভূমিৰ পট্টা বাতিলৰ দাবীত পৰৱর্তী কার্যসূচী লোৱা হ'ব বুলি সংগঠনটোৱে জনাইছে। ৰংঘৰ, ৰংগনাথ শিৱদৌল, জয়মতী স্মৃতিসৌধ আৰু কাৰেংঘৰৰ চৌহদত নির্মাণ কৰা বুলি অভিযোগ উঠা ঘৰসমূহ আঁতৰোৱাৰ দাবীও উত্থাপন কৰা হৈছে।

স্বর্গদেউ শিৱসিংহৰ ৰাজত্বকালত শিৱদৌল, দেৱীদৌল, বিষ্ণুদৌল আৰু বৰপুখুৰীৰ কাষে কাষে যমুনা খন্দোৱা হৈছিল বুলি ঐতিহাসিক প্রসংগত উল্লেখ আছে। এই ঐতিহাসিক জলপথৰ সংৰক্ষণ আৰু বেদখলমুক্তকৰণৰ দাবীক লৈ দীর্ঘদিন ধৰি সৰৱ হৈ আহিছে আটাছু।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1076/sivasagar-yamuna-eviction-attasu-guardwall